# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 31-05-2025
**Time :** 1845 HRS

# *Assamese Evening Bulletin*
## Headlines
-------------------

১।　নেৰানেপেৰা বৰষুণৰ ফলত বিপৰ্যস্ত উত্তৰ-পূৰ্বাঞ্চল। অৰুণাচল প্ৰদেশ আৰু মিজোৰামত ভূমিস্খলনত কমেও ৭ জন লোকৰ মৃত্যু।

২।　গুৱাহাটী মহানগৰীৰ বান পৰিস্থিতি কিছুপৰিমাণে শাম কাটিছে যদিও ভালেমান অঞ্চল এতিয়াও প্লাৱিত।

৩।　প্ৰবল বৰষুণ আৰু জলবিদ্যুৎ প্ৰকল্পৰ বান্ধৰ পানী এৰি দিয়াৰ ফলত কেইবাখনো জিলাৰ বিভিন্ন অঞ্চলত যোগাযোগ বিচ্ছিন্ন।

৪।　ইন্দিগো বিমান সেৱা  কৰ্তৃপক্ষৰ সৈতে ৰাজ্যত বিমান সংযোগ সম্প্ৰসাৰণ সন্দৰ্ভত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ আলোচনা।　**আৰু**

৫।　ধপাতমুক্ত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে আজি সমগ্ৰ বিশ্বৰ লগতে অসমতো বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন।

ooooo

উত্তৰ পূৰ্বাঞ্চলৰ অৰুণাচল প্ৰদেশ, মিজোৰাম, মণিপুৰকে ধৰি প্ৰায়কেইখন ৰাজ্যত ধাৰাষাৰ বৰষুণৰ বাবে  জনজীৱন বিপৰ্য্যস্ত হৈছে।  অৰুণাচল প্ৰদেশ আৰু মিজোৰামত নেৰানেপেৰাকৈ হোৱা বৰষুণ আৰু ভূমিস্খলনৰ ফলত কেইবাজনো লোকে প্ৰাণ হেৰুৱাইছে। অৰুণাচলৰ পূব কামেং জিলাত বান আৰু ভূমিস্খলনৰ ফলত বিস্তৰ ক্ষয়-ক্ষতি হৈছে। জিলাখনৰ ১৩ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ বানা আৰু চেপ্পাত যোৱা নিশা চেপ্পা অভিমুখী এখন বাহন  ভূমিস্খলন আৰু বানে উটুৱাই নিয়াৰ ফলত বাহনখনত থকা ৭ জন লোকৰ মৃত্যু হয়। উদ্ধাৰ অভিযান ততালিকে আৰম্ভ কৰা হয় যদিও প্ৰতিকূল বতৰৰ বাবে আৰু নিশাৰ ভাগত দৃশ্যমানতা কমি যোৱাত উদ্ধাৰকাৰী দলসমূহ অসুবিধাৰ সন্মুখীন হয়। আজি পুৱাৰ ভাগত  স্থানীয় লোকসকলৰ সহযোগত উদ্ধাৰকাৰী দলসমূহে পুনৰ অভিযান চলাই ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা প্ৰায় এশ মিটাৰ তলত ধ্বংসপ্ৰাপ্ত বাহনখনৰ লগতে ৭ জন লোকক মৃত অৱস্থাত উদ্ধাৰ কৰে। আন এটা ঘটনাত নামনি সোৱনশিৰি জিলাত বানৰ ফলত দুজন শ্ৰমিকৰ মৃত্যু হয়। মিজোৰামতো ধাৰাষাৰ বৰষুণ আৰু ভূমিস্খলনৰ ফলত  বিস্তৰ ক্ষয়-ক্ষতি হোৱাৰ লগতে ভূমিস্খলনত এজন লোকৰ প্ৰাণ হানি হোৱাৰ লগতে বহু লোক বানত আৱদ্ধ হৈ থকাৰ খবৰ পোৱা গৈছে। একেদৰে মণিপুৰৰ ৰাজধানী চহৰ ইম্ফলসহ বহু অঞ্চল ভয়াবহ বানৰ কবলত পৰিছে। প্ৰতিকূল বতৰৰ বাবে ৰাজ্যখনৰ পালাও ৰোডৰ পেলেচ পৰিসৰত থকা আকাশবাণী ইম্ফলৰ অনুষ্ঠান শাখাৰ প্ৰচাৰ বন্ধ ৰাখিবলগীয়া পৰিস্থিতিৰ উদ্ৰেক হোৱাৰ পৰিপ্ৰেক্ষিতত ইম্ফলৰ পৰা ৫৬ কিলোমিটাৰ নিলগত উচ্চ ক্ষমতা সম্পন্ন ট্ৰান্সমিটাৰ থকা মায়াঙৰ পৰা অনুষ্ঠান প্ৰচাৰৰ দিহা কৰা হৈছে আৰু শীঘ্ৰেই প্ৰচাৰ আৰম্ভ

হ’ব। ৰাজ্যপাল অজয় কুমাৰ ভাল্লাই মণিপুৰৰ বান পৰিস্থিতি অহৰহ নিৰীক্ষণ কৰি আছে আৰু যাৱতীয় ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিছে।

০০০০০

বিগত কেইবাদিনো হৈ থকা নেৰানেপেৰা বৰষুণৰ ফলত ৰাজ্যৰ কেইবাখনো জিলা বানৰ কবলত পৰিছে। বৰঝাৰ বতৰ বিজ্ঞান কেন্দ্ৰৰ আগজাননী অনুসৰি বজালী, বাক্সা, বৰপেটা, বঙাইগাঁও, চিৰাং, দৰং, ধুবুৰী, গোৱালপাৰা, কামৰূপ মহানগৰ জিলা, কামৰূপ, মৰিগাঁও, নলবাৰী, কাছাৰ, ডিমা হাচাও, হাইলাকান্দি, শ্ৰীভূমি আদি কেইবাখনো জিলাত নিশাপৰ্যন্ত মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে।

গুৱাহাটী মহানগৰীৰ বান পৰিস্থিতি কিছুপৰিমাণে শাম কাটিছে যদিও ভালেমান অঞ্চল এতিয়াও যোগাযোগ বিচ্ছিন্ন হৈ আছে। মহানগৰীৰ ৰুক্মিণীগাঁও, অনিলনগৰ, নবীন নগৰ, পাঞ্জাবাৰী, হাতীগাঁও, জুৰিপাৰকে ধৰি বহু অঞ্চল এতিয়াও জলমগ্ন হৈ আছে। পূৰ্বে বান পৰিস্থিতিৰ সন্মুখীন নোহোৱা ভালেমান অঞ্চল এইবাৰ পানীত বুৰ যোৱা বুলি সংবাদদাতাই জানিবলৈ দিছে। বান পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আজিৰ দিনটোৰ বাবে গুৱাহাটী মহানগৰীৰ শিক্ষানুষ্ঠানসমূহ বন্ধ ৰখাৰ লগতে দূৰণিবটীয়া চৰকাৰী কৰ্মচাৰীসকলৰ বাবেও আজি নৈমিত্তিক ছুটীৰ ব্যৱস্থা কৰা হৈছে। চৰকাৰে ৰুক্মিণীগাঁও আৰু হাতীগাঁৱত দুটা সাহায্য শিবিৰ স্থাপনৰ জৰিয়তে বান প্ৰভাৱিত জনসাধাৰণলৈ সাহায্য আগবঢ়োৱাৰ ব্যৱস্থা কৰিছে। বান পৰিস্থিতিৰ সন্মুখীন হ’বৰ বাবে ৰাজ্যৰ ভিন ভিন ঠাইত এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু ডি ডি আৰ এফৰ উদ্ধাৰকাৰী জোৱানৰ দল কৰ্তব্যত নিয়োজিত হৈ আছে। গুৱাহাটী মহানগৰীৰ নিকটৱৰ্তী যোৰাবাটত বান পৰিস্থিতি অপৰিৱৰ্তিত হৈ আছে। যোৰাবাট উৰণ সেতুৰ তলত আজিও এককঁাল পৰ্যন্ত পানী হোৱাত যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে। বান আৰু বোকাৰ বাবে যোৰাবাটৰ ব্যৱসায়ীসকলে প্ৰতিষ্ঠানসমূহ বন্ধ ৰাখিবলগীয়া হৈছে। ইপিনে যোৰাবাট অঞ্চলত তিনিদিন ধৰি বিদ্যুৎ যোগান ব্যাহত হৈ থকাত অঞ্চলবাসী খোৱাপানীৰ লগতে আন বিভিন্ন সমস্যাত ভূগিছে। উল্লেখযোগ্য যে বতৰ বিজ্ঞান বিভাগৰ আগজাননী অনুসৰি গুৱাহাটীকে ধৰি অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ঠাই বিশেষে ধাৰাষাৰ বৰষুণ অব্যাহত থকাৰ সম্ভাৱনা আছে।

কামৰূপ জিলাৰ ছয়গাঁৱত ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰেৰে পানী বাগৰাত যাতায়াত ব্যৱস্থা সম্পূৰ্ণৰূপে বন্ধ হৈ পৰিছে। কলহী নৈৰ বাঢ়নী পানীয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ একাংশ বুৰাই পেলোৱাৰ লগতে দলঙৰ দুয়ো মূৰ খহাই পেলোৱাত যাতায়াত বন্ধ হৈছে। বকোৰ শিঙৰা শালনিবাৰীৰ ৰাষ্ট্ৰীয় ঘাইপথতো বাঢ়নী পানীয়ে বুৰাই পেলাইছে। নেৰানেপেৰা বৰষুণৰ ফলত বৰপেটা জিলাতো স্বাভাৱিক জীৱনযাত্ৰা ব্যাহত হৈছে। জিলাখনৰ ছখন প্ৰধান নৈৰ জলপৃষ্ঠ বৃদ্ধি পোৱাত বান পৰিস্থিতি জটিল হৈ পৰাৰ আশংকা দেখা দিছে।

লখিমপুৰ, গহপুৰ, নগাঁৱৰ কামপুৰ, পশ্চিম কাৰ্বি আংলঙৰ টুমপ্ৰেং, শ্ৰীভূমি, হাইলাকান্দি, ধুবুৰীৰ লগতে উজনি অসমৰ তিনিচুকীয়া আৰু ডিব্ৰুগড়ৰ বহু অঞ্চল প্লাৱিত হৈ পৰিছে। নিপকোৱে ৰঙানদীৰ পানী এৰি দিয়াৰ ফলত লখিমপুৰৰ বিস্তীৰ্ণ অঞ্চল বাঢ়নী পানীয়ে বুৰাইছে। এই সন্দৰ্ভত লখিমপুৰৰ আমাৰ সংবাদদাতা হিমাদ্ৰী দিহিঙীয়াই এইদৰে কয়–

**ভইচ (হিমাদ্ৰী দিহিঙীয়া)**

কপিলী নৈৰ বাঢ়নী পানীয়ে বুৰাই পেলোৱা হোজাইৰ ক্ষতিগ্ৰস্ত অঞ্চল জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে পৰিদৰ্শন কৰে। ডিমা হাচাও জিলাৰ উমৰাংছ’ৰ খানডং জলবিদ্যুৎ প্ৰকল্পৰ ৭ খন গে’ট খুলি দিয়াত কপিলী নৈৰ জলপৃষ্ঠ বৃদ্ধি পাইছে। ইয়াৰ ফলত হোজাইৰ কেইবাখনো গাঁও বানৰ কবলত পৰিছে।

হোজাই জিলা আয়ুক্তগৰাকীয়ে আজি বানপীড়িত অঞ্চল পৰিদৰ্শন কৰাৰ লগতে আশ্ৰয় শিবিৰ স্থাপন কৰা সন্দৰ্ভত পৰ্যালোচনা কৰে। এই সন্দৰ্ভত হোজাইৰ জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতীয়ে এইদৰে কয়-

**ৰাইট (বিদ্যুৎ বিকাশ ভাগৱতী)**

ইপিনে কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ ফলত **তিনিচুকীয়া** জিলাৰ গুইজানৰ নতুন গাঁৱৰ বিস্তীৰ্ণ অঞ্চল প্লাৱিত হৈছে। **ডিব্ৰুগড়** জিলাৰ চাবুৱা আৰু পূব ডিব্ৰুগড় ৰাজহ চক্ৰৰ চাৰিখন গাঁও বানৰ কবলত পৰিছে। **মাজুলীৰ** বিৰিণাবাৰী গাঁৱৰ ঠেকেলানী বিলৰ পাৰৰ কেইবা বিঘা বৰো ধানৰ খেতি বানে বুৰাই পেলাইছে। ব্ৰহ্মপুত্ৰ আৰু সোৱণশিৰিৰ জলপৃষ্ঠ বৃদ্ধি হোৱাত খেতি পথাৰ জলমগ্ন হৈ পৰিছে।

**গোলাঘাট** জিলাৰ নুমলীগড়ত কালিয়নী নৈৰ বাঢ়নী পানীয়ে বিস্তীৰ্ণ অঞ্চল বুৰাই পেলাইছে। কালিয়নী নৈৰ বাঢ়নী পানীত আবদ্ধ হৈ পৰা তিনিখন বাহনৰ চালক আৰু হেণ্ডিমেনক প্ৰশাসনৰ লোকে স্পীড বটৰ সহায়ত উদ্ধাৰ কৰে।

কপিলী আৰু বৰাপানীৰ বাঢ়নী পানীয়ে নগাঁৱৰ কামপুৰৰ কচুৱাৰ বিভিন্ন অঞ্চল প্লাবিত কৰিছে। নগাঁৱৰ বান পৰিস্থিতি সন্দৰ্ভত আমাৰ সংবাদদাতা মুনীন্দ্ৰ শইকীয়াই এইদৰে কয়-

**ভইচ (মুনীন্দ্ৰ শইকীয়া)**

ooooo

প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ কাইলৈ হ’বলগীয়া ডিষ্ট্ৰিক্ট প্ৰ’গ্ৰেম মেনেজাৰৰ লিখিত পৰীক্ষা স্থগিত ৰখা হৈছে। কাইলৈ মহানগৰীৰ তাৰিণীচৰণ চৌধুৰী চৰকাৰী হাইস্কুলত এই পৰীক্ষা অনুষ্ঠিত হোৱাৰ কথা আছিল। কিন্তু বেয়া বতৰৰ বাবে লিখিত পৰীক্ষা স্থগিত ৰখা হয়।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি ইন্দিগো বিমান সেৱা কৰ্তৃপক্ষৰ সৈতে ৰাজ্যত বিমান সংযোগ সম্প্ৰসাৰণ সন্দৰ্ভত আলোচনাত মিলিত হয়। মুখ্যমন্ত্ৰীয়ে এই আলোচনাকালত বিমান সেৱা প্ৰদানকাৰী প্ৰতিষ্ঠানটোক শিলচৰ, ডিব্ৰুগড় আৰু উত্তৰ লখিমপুৰলৈ বিমান সংযোগ বৃদ্ধি কৰাৰ বাবে আহ্বান জনায়। এই বৈঠকৰ পাছত ইন্দিগোৱে ইতিবাচক সঁহাৰি দিয়া বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰে। তেওঁ কয়, যে এতিয়াৰে পৰা ডিব্ৰুগড়ৰ পৰা দিল্লী অভিমুখী ইন্দিগো বিমানখন গুৱাহাটী বিমান বন্দৰলৈ অৱতৰণ কৰিব। ইয়াৰ দ্বাৰা পুৱাৰ ভাগতে ৰাজ্যৰ ৰাজধানীৰ সৈতে দেশৰ ৰাজধানীক সংযোগ স্থাপনৰ ব্যৱস্থা কৰা হ’ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। গুৱাহাটী শিলচৰ বিমানৰ সূচীৰো সাল সলনি কৰি পুৱাৰ ভাগত বিমান সেৱা উপলব্ধ কৰোৱা হ’ব বুলি তেওঁ উল্লেখ কৰে। একেদৰে ২০২৫-২৬ বৰ্ষৰ শীতকালত গুৱাহাটীৰ পৰা নবী মুম্বাইলৈকে বিমান সেৱাৰ ব্যৱস্থা কৰা হ’ব বুলি আলোচনাত হোৱা সিদ্ধান্তৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে সদৰি কৰে। উত্তৰ লখিমপুৰৰ লীলাবাৰী বিমানবন্দৰৰ পৰা চলাচল হ’বলগীয়া বিমানৰ সময়সূচী শীঘ্ৰে মুকলি কৰা হ’ব বুলিও ডঃ শৰ্মাই উল্লেখ কৰে।

ooooo

ধপাতমুক্ত এখন সুন্দৰ সমাজ গঢ়াৰ লক্ষ্যৰে আজি বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন কৰা হয়। ওদালগুৰিত জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি এই উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ লক্ষ্যৰে বাটৰ নাট প্ৰদৰ্শন কৰা হয়। মৰিগাঁৱতো জিলা ধপাত নিয়ন্ত্ৰণ কোষৰ উদ্যোগত আৰু দীপশিখা ফাউণ্ডেচনৰ সহযোগত ধূমপান বিৰোধী দিৱস উপলক্ষে সমদল উলিওৱা হয়। মৰিগাঁৱৰ জিলা আয়ুক্ত দেবাশীষ শৰ্মাই এই সমদল মুকলি কৰে। সমদলত বিভিন্ন শিক্ষানুষ্ঠানৰ সহস্ৰাধিক

ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। চিৰাং জিলা স্বাস্থ্য সেৱা বিভাগৰ উদ্যোগতো জিলাখনৰ বেংতল উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বিশ্ব ধপাত বিৰোধী দিৱস উদযাপন কৰা হয়। এই উপলক্ষে ধপাত বিৰোধী সজাগতা সমদল উলিওৱাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মাজত সজাগতা সভা অনুষ্ঠিত হয়। দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ হাটশিঙিমাৰীত এই দিৱস উপলক্ষে আলোচনা চক্ৰ অনুষ্ঠিত হয়। দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত জিলাখনৰ ছিপাঝাৰ বিধানসভা সমষ্টিৰ অন্তৰ্গত চেঙেলীয়াঝাৰত বিশ্ব ধপাত বিৰোধী দিৱসৰ লগত সংগতি ৰাখি সজাগতা সভা, চিত্ৰাংকন প্ৰতিযোগিতা আদি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হয়।

ইপিনে ধেমাজি, গোলাঘাট, শিলচৰ আৰু হোজাই জিলাতো ধূমপান বিৰোধী দিৱসৰ লগত সংগতি ৰাখি বিভিন্ন সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰা হয়। **ধেমাজিত** ধূমপান বিৰোধী দিৱস উপলক্ষে এটা সজাগতা সমদল উলিওৱা হয়। বাটৰ নাট প্ৰদৰ্শন কৰিও ধপাতজাতীয় সামগ্ৰীৰ ভয়াৱহতা সন্দৰ্ভত ৰাইজক সজাগ কৰা হয়। **গোলাঘাটৰ** শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়ৰ প্ৰাংগণৰ পৰা এই দিৱস উপলক্ষে সজাগতা সমদল উলিওৱা হয়। সমদলত ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ বিষয়াসকলৰ লগতে কৰ্মচাৰী, জিএনএম, আশাকৰ্মী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে। সজাগতা সমদলৰ পাছত গোলাঘাট নগৰত স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। বিশ্ব ধপাত বিৰোধী দিৱসৰ অংশ হিচাপে মেৰাপানী জাতীয় বিদ্যালয়ত এখন সজাগতা সভা অনুষ্ঠিত হয়। জিলা আইনী সেৱা কৰ্তৃপক্ষৰ সহযোগিতাত অনুষ্ঠিত এই সভাত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰে।

ooooo

মুখ্যমন্ত্ৰী বিজ্ঞান প্ৰতিভা সন্ধান আঁচনিৰ অধীনত চলিত বছৰত দশম শ্ৰেণী উত্তীৰ্ণ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে দেশৰ শীৰ্ষ প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানসমূহত আয়োজিত ফেল'শ্বিপ শিবিৰসমূহত অংশগ্ৰহণ কৰিব পাৰিব। তদুপৰি তেওঁলোকক বছৰজুৰি অনলাইন পৰামৰ্শ প্ৰদান কৰাৰ লগতে শ্ৰেষ্ঠ ৩ গৰাকীক বিদেশৰ উৎকৃষ্ট প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান ভ্ৰমণৰ সুযোগ দিয়া হ'ব। ইয়াৰ বাবে আবেদনৰ অন্তিম তাৰিখ ২০ জুন ধাৰ্য কৰা হৈছে। উল্লেখযোগ্য যে অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ উদ্যোগত এই বিশেষ আচনিখনে ৰাজ্যখনৰ শিক্ষাৰ্থীসকলক জ্ঞান আহৰণত উৎসাহ যোগোৱাৰ লগতে বিজ্ঞানৰ প্ৰতি তেওঁলোকৰ আকৰ্ষণ বৃদ্ধি কৰি তেওঁলোকৰ প্ৰতিভা বিকাশৰ সুযোগ দিছে। শিক্ষাৰ্থীসকলক আগ্ৰহৰ ক্ষেত্ৰ অনুসৰি সৰু সৰু গোটত ভাগ কৰি ৰাজ্য তথা দেশৰ প্ৰখ্যাত প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানলৈ এসপ্তাহৰ বাবে প্ৰেৰণ কৰা হয়। ৩ গৰাকী শ্ৰেষ্ঠ শিক্ষাৰ্থীক বিদেশৰ কোনো উৎকৃষ্ট প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ ভ্ৰমণৰ বাবে বাচনি কৰা হয়। অসম চৰকাৰৰ স্বীকৃতিপ্ৰাপ্ত কোনো পৰিষদৰ পৰা ন্যূনতম ৭৫ শতাংশ নম্বৰ লাভ কৰি দশম শ্ৰেণী উত্তীৰ্ণ শিক্ষাৰ্থীয়ে এই সুবিধা লাভ কৰিব পাৰে। তদুপৰি গণিত, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, জীৱ বিজ্ঞান, পৰিসংখ্যা বিজ্ঞান আৰু কম্পিউটাৰ বিজ্ঞান বিষয়ৰ ভিতৰত অন্তত ৩ টা বিষয় লৈ ৰাজ্যৰ কোনো শিক্ষানুষ্ঠানৰ একাদশ শ্ৰেণীত নামভৰ্তি কৰা বা অধ্যয়নৰত শিক্ষাৰ্থীয়েও ইয়াৰ বাবে আবেদন কৰিব পাৰিব বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

ooooo

দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ জিলা আৰু চেচন ন্যায়াধীশৰ আদালতে আজি এগৰাকী কিশোৰীক যৌন নিৰ্যাতন চলোৱাৰ অভিযোগত এজন লোকক ২ হেজাৰ টকাৰ জৰিমণাসহ ২০ বছৰৰ কাৰাদণ্ড বিহিছে। যোৱা বছৰ জিলাখনৰ ভাৰত-বাংলাদেশ সীমান্তৱৰ্তী মানকাচৰ থানা এলেকাৰ পাথুৰীয়া গাঁৱৰ এগৰাকী ১৪ বছৰীয়া কিশোৰীক নিৰ্যাতনৰ গোচৰত চাজিদুল ইছলাম নামৰ লোকজনক এই শাস্তি বিহা হয়। হাতশিঙিমাৰী

জিলা আৰু ছেছন ন্যায়াধীশৰ আদালতত ন্যায়াধীশ সঞ্জয় হাজৰিকাই তথ্য প্ৰমাণ আৰু যুক্তিৰ আধাৰত অভিযুক্তজনক দোষী সাব্যস্ত কৰি শাস্তিৰ ৰায় দিয়ে।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাত অনুষ্ঠানত সেনাবাহিনীত কৰ্মসংস্থাপনৰ সুবিধা শীৰ্ষক এটা বিশেষ আলোচনা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত নৌ-বাহিনীৰ অৱসৰপ্ৰাপ্ত কমোডৰ কমলেশ চৌধুৰী আৰু স্থল সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ বলেন্দ্ৰ গোস্বামীয়ে অপাৰেচন সিন্দূৰত সেনাবাহিনীৰ সফলতাৰ আঁৰৰ কথাও প্ৰকাশ কৰিব। এই অনুষ্ঠানটিৰ আঁত ধৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ ১০১ দশমিক ৬ মেগাহাৰ্টজ, অল ইণ্ডিয়া ৰেডিঅ’ এপৰ লগতে ফে’চবুক পেজ AIRNEWSGHY.RNUত আৰু ইউটিউব চেনেল @AIRNEWSGUWAHATI ত লাইভ ষ্ট্ৰিমিঙতো শুনিবলৈ পাব।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাত **বৰষুণৰ এটা দিন** শীৰ্ষক এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কালি গুৱাহাটী মহানগৰীত হোৱা অভূতপূৰ্ব  নগৰীয়া বানৰ সময়ত সৃষ্টি হোৱা অচলাৱস্থা আৰু এই সময়ত মানৱীয় প্ৰমূল্য সম্পৰ্কত ছাত্ৰ-ছাত্ৰী, অভিভাৱক, আৰক্ষী কৰ্মচাৰী আৰু সাংবাদিকৰ মতামত শুনিবলৈ পাব। অনুষ্ঠানটিৰ পৰিকল্পনা আৰু প্ৰযোজনা আকাশবাণীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০

যোৰহাট জিলাৰ ৰংদৈ দগাঁৱৰ যোগেশ্বৰ দত্ত নামৰ লোকজনৰ বিদ্যুৎপৃষ্ট হৈ আজি মৃত্যু ঘটে। পথত পৰি থকা বিদ্যুৎ পৰিবাহী তাঁৰত লাগি লোকজনৰ মৃত্যু হয়। বিদ্যুৎ বিভাগে ঘটনাস্থলী পৰিদৰ্শন কৰি দত্তৰ পৰিয়াললৈ ক্ষতিপূৰণ দিয়াৰ আশ্বাস দিয়ে।

০০০০০

সমাপ্ত